**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-06-2026
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

গুৱাহাটী মহানগৰৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী দামোদৰ দেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত আজি প্ৰধানমন্ত্ৰী বিকশিত ভাৰত ৰোজগাৰ যোজনাৰ অধীনত হিতাধিকাৰীসকলক ভাট্টা প্ৰদান কৰা হয়। কলাক্ষেত্ৰত আয়োজিত এই অনুষ্ঠানত মন্ত্ৰী অতুল বৰা, ৰামেশ্বৰ তেলী, বিধায়ক ড০ তপন দাসকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্ত উপস্থিত থাকে। অনুষ্ঠানত মন্ত্ৰী অতুল বৰা উল্লেখ কৰে যে - প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত সমগ্ৰ দেশতে বিভিন্ন আঁচনি গ্ৰহণ কৰা হৈছে। এই আঁচনিসমূহৰ জৰিয়তে ২০৪৭ চনৰ ভিতৰত ভাৰতক উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ প্ৰয়াস কৰা হৈছে। এই আঁচনিখনে দেশৰ যুৱশক্তিক উৎপাদনক্ষম, আত্মনিৰ্ভৰশীল কৰি তোলাত সহায় কৰিব।

০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অন্তৰ্গত সংলগ্ন মহাবিদ্যালয়সমূহত ৪ বছৰীয়া স্নাতক কাৰ্যসূচী FYUGP ৰ চতুৰ্থ বৰ্ষ কাৰ্যকৰী কৰাৰ বাবে প্ৰস্তুত কৰা নিৰ্দেশনা, NEP ready Reckoner 2026 আৰু FYUGP ৰ চতুৰ্থ বৰ্ষৰ FAQ বুকলেট উন্মোচন কৰে। এই অনুষ্ঠানত শিক্ষামন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত এইদৰে কয়।

বাইট-ৰণোজ পেগু

বিশ্ববিদ্যালয়ত অনুষ্ঠিত এই অনুষ্ঠানত উপাচাৰ্য ড০ ননীগোপাল মহন্ত, অসম কলেজ অধ্যক্ষ পৰিষদৰ প্ৰতিনিধিসকলৰ লগতে অনুষ্ঠানত বিভিন্ন অনুষদৰ ডীন, শিক্ষক-শিক্ষয়িত্ৰী, বিশ্ববিদ্যালয় শ্ৰেণীৰ সচিব, সংলগ্ন মহাবিদ্যালয়সমূহৰ অধ্যক্ষ, শিক্ষাবিদ আৰু  অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। অনুষ্ঠানত ভাষণ দি শিক্ষামন্ত্ৰী ডাঃ পেগুৱে এই নিৰ্দেশনা পত্ৰ প্ৰস্তুত কৰাৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ক অভিনন্দন জনায় আৰু ইয়াক বিশ্ববিদ্যালয়খনৰ উল্লেখযোগ্য পদক্ষেপ বুলি অভিহিত কৰে। লগতে FAQ বুকলেট প্ৰস্তুত কৰাৰ লগত জড়িত সংশ্লিষ্ট লোকসকলক ধন্যবাদ জ্ঞাপন কৰে। মন্ত্ৰী ডাঃ পেগুৱে ৰাজ্যৰ উচ্চ শিক্ষা খণ্ডত চলি থকা সংস্কাৰৰ বিষয়েও আলোকপাত কৰে। তেওঁ পুৰণি আৰু প্ৰাসংগিকতা হেৰুৱাই পেলোৱা পাঠ্যক্ৰমসমূহৰ পুনৰ মূল্যায়ন কৰা, উদ্যোগ প্ৰতিষ্ঠানৰ সহযোগত নতুন পাঠ্যক্ৰম গ্ৰহণ কৰা আদি পদক্ষেপৰ কথা উল্লেখ কৰে। তেওঁ অসমত সম্পূৰ্ণৰূপে উদ্যোগ খণ্ডৰ দ্বাৰা ৰূপায়িত প্ৰথম পাঠ্যক্ৰম আৰম্ভ কৰাৰ কথাও উল্লেখ কৰে। ইয়াৰ উপৰিও বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহত চলি থকা চেল্ফ ফাইনেন্সিং কোৰ্চসমূহৰ ক্ষেত্ৰত চৰকাৰৰ নীতি স্পষ্ট কৰে।

অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক, অধ্যাপক উৎপল শৰ্মাই আদৰণি ভাষণ আগবঢ়োৱাৰ লগতে উপাচাৰ্য্য ড০ ননীগোপাল মহন্তই উদ্বোধনী ভাষণ দিয়ে। এই ভাষণত ড০ মহন্তই কয়, যে FYUGP ৰ চতুৰ্থ বৰ্ষ প্ৰৱৰ্তনৰ ক্ষেত্ৰত থকা বাস্তৱধৰ্মী প্ৰশাসনিক আৰু শৈক্ষিক প্ৰত্যাহ্বানসমূহ সুযোগলৈ ৰূপান্তৰ কৰা উচিত।

০০০

মহানগৰ আৰক্ষীৰ সীমান্ত শাখাই সন্দেহযুক্ত বাংলাদেশীৰ সন্দেহত গুৱাহাটী মহানগৰীত ১৩ জন লোকক আটক কৰিছে। এটা গোপন সূত্ৰৰ পম খেদি আৰক্ষীয়ে আৰ্য্য নগৰৰ এটা লজৰ পৰা পুৰুষ, মহিলা, শিশুসহ ১৩ জন লোকক আটক কৰে। বৰ্তমান আটকাধীন লোককেইজনক আৰক্ষীয়ে সোধা-পোচা অব্যাহত ৰাখিছে।

০০০০

মহানগৰীৰ বশিষ্ঠ  আৰক্ষীয়ে বেটকুছিত তালাচী চলাই প্ৰায় ১ কোটি টকা মূল্যৰ নিষিদ্ধ হেৰোইনসহ দুজন লোকক গ্ৰেপ্তাৰ কৰিছে। ধৃত লোক দুজন বৰপেটাৰ শ্বাহৰুখ আলী আৰু মমতা বুলি আৰক্ষীয়ে জানিবলৈ দিছে। দুয়োৰে পৰা আৰক্ষীয়ে ১৭ টা চাবোনৰ বাকচত ২০৯ গ্ৰাম হেৰোইন জব্দ কৰে।

০০০০

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰ সংক্ৰান্তত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্ট ট্ৰেক আদালতত সাক্ষীৰ সাক্ষ্য গ্ৰহণ প্ৰক্ৰিয়া অব্যাহত আছে। আজি আদালতত অভিনেতা ৰবি শৰ্মাই সাক্ষ্য প্ৰদান কৰে। অৱশ্যে আজি সাক্ষ্য গ্ৰহণ প্ৰক্ৰিয়া অসম্পূৰ্ণ হোৱা বাবে কাইলৈ অভিনেতাগৰাকীক পুনৰ সাক্ষ্য গ্ৰহণৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ উচিত তদন্ত বিচাৰি অভিনেতা ৰবি শৰ্মাই এখন এজাহাৰ দাখিল কৰিছিল আৰু সেই অনুসৰি আদালতে আজি অভিনেতাগৰাকীৰ সাক্ষ্য গ্ৰহণ কৰিবলৈ আদালতত হাজিৰ হোৱাৰ নিৰ্দেশ দিছিল। ইপিনে, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠত জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰে অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদন সন্দৰ্ভত শুনানি অনুষ্ঠিত হয়। আজি আদালতত অভিযুক্তৰ হৈ অধিবক্তা অনিল মিশ্ৰই ভাৰ্চুৱেল মাধ্যমেৰে যুক্তি প্ৰদৰ্শন কৰে। আজিৰ শুনানিত অসম চৰকাৰৰ হৈ বিশেষ লোক অধিবক্তা জিয়াউল কামাৰ উপস্থিত থাকে। পাছত আদালতে সকলো পক্ষৰ যুক্তি শুনি অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদন ২৩ জুনত পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰিছে।

০০০০

মঙলদৈ কলেজৰ প্ৰাক্তন অধ্যক্ষ শিক্ষাবিদ ড০ হীৰেন্দ্ৰ কুমাৰ গোস্বামীৰ আজি বিয়লি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৫ বছৰ।

০০০০

ঃঃ সমাপ্ত ঃঃ